# গায়ত্ৰী গগৈৰ কবিতা

**নিজৰ বুলি একোকে নেথাকে**

জন্মদিন নহাই ভাল
বৰকৈ মনত পেলাই দিয়ে
বিচ্ছেদৰ কথা
সময়ৰ কাঁড়ডালে নীৰৱে ভেদে
তেজে মনে দেহে
আৰু খুব বেছি দুই দশক
তাৰ পিছতময়ে
তোমাক সুধিম
"ওহো চিনি পোৱা নাই আপোনাক"
ইজনে সিজনক
কলিজাৰ মাজত থৈয়ো
অচিনাকি হৈ ৰ'ম
ডিমেনচিয়া এলজাইমাৰ
নিজৰ বুলি একোকে নেথাকে
অভিমানবোৰ বাকচত থাকক
আজি তোমাৰ কামবোৰ বৰ জৰুৰী
মই বেয়া নেপাওঁ জন্মদিন
পাহৰিলা বুলি।
তুমি ৰাইজৰ প্ৰিয় মানুহ
ইমান অসূয়া-অপ্ৰীতিৰ মাজত তুমি
আশাৰ প্ৰতীক
বিশ্বাসৰ পাহাৰ
তুমি গৈ থাকা গৈ থাকা
উভতি নোচোৱাকৈ।
অ', তোমাক জনাই থ'লোঁ
এইবাৰ মই চছমাৰ পাৱাৰ বঢ়াই লৈছোঁ
বাতৰিবোৰ পঢ়িম
তোমাক কাষতে পোৱা যেন লাগিব।